# NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2022
**Time :** 1845 hrs

## *Assamese Evening Bulletin*
# HEADLINES

১। বীৰ লাচিত বৰফুকনৰ সাহস আৰু বীৰত্বই যুগ যুগান্তৰলৈ দেশপ্ৰেমৰ অম্লান নিদৰ্শন ৰাখি গৈছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নতুন দিল্লীত আয়োজিত লাচিত জয়ন্তীৰ অনুষ্ঠানত প্ৰকাশ।

২। ৰাজ্য চৰকাৰে নতুন দিল্লীত আয়োজন কৰা লাচিত জয়ন্তী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অসমৰ গৌৰৱময় ইতিহাস আলোকপাত কৰাৰ লগতে বীৰ লাচিতৰ সাহস আৰু ত্যাগৰ বিষয়ে ব্যাখ্যা।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ নতুন দিল্লীত প্ৰাক্-বাজেট পৰামৰ্শ দান বৈঠকত অংশগ্ৰহণ।

**আৰু**

৪। ফিফা বিশ্বকাপত আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া এখন খেলত ব্ৰাজিল ছাৰ্বিয়াৰ মুখামুখি।

০০০০০০০০০০

বীৰ লাচিত বৰফুকন কেৱল মোগলৰ বিৰুদ্ধে যুঁজত আহোমৰ সেনাপতিয়েই নাছিল, বৰং তেওঁৰ সাহস আৰু বীৰত্বই যুগ যুগান্তৰলৈ দেশপ্ৰেমৰ অম্লান নিদৰ্শন ৰাখি গৈছে। নতুন দিল্লীত আয়োজিত বীৰ লাচিতৰ চাৰিশ সংখ্যক জয়ন্তীৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, দেশৰ পূব প্ৰান্তত লাচিত বৰফুকনে মহা পৰাক্ৰমেৰে যুঁজ দি মোগল সৈন্যক পৰাজিত কৰি কাললৈ খ্যাতি ৰাখি গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বীৰ লাচিতৰ সাহসৰ গাঁথা দেশজুৰি প্ৰচাৰ কৰাৰ বাবে ন পদক্ষেপক গৃহ মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে গৃহ মন্ত্ৰীগৰাকীক বীৰ লাচিতৰ প্ৰতিমূৰ্তি আৰু হেংদানেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়েও অংশগ্ৰহণ কৰে। অসম চৰকাৰে নতুন দিল্লীত তিনিদিনীয়াকৈ আয়োজন কৰা লাচিত দিৱস কালি আৰম্ভ হয়। ৰাষ্ট্ৰীয় -আন্তঃৰাষ্ট্ৰীয় স্তৰত লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেমক তুলি ধৰাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাক অসমৰ বস্ত্ৰতাঁত মন্ত্ৰী ইউ জি ব্ৰহ্মই কয় যে, লাচিত দিৱসৰ অনুষ্ঠানক কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অংশগ্ৰহণে বিশেষ মৰ্য্যাদা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ গৌৰৱময় ইতিহাসত আলোকপাত কৰাৰ লগতে বীৰ লাচিতৰ সাহস আৰু ত্যাগৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ লাচিত দিৱসৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে আজি লাচিত দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জনাই দিয়া এটা বাৰ্তাত কয় যে, অসমৰ আহোম যুগৰ মহান বীৰ সেনাপতি লাচিত বৰফুকনৰ এইবাৰ ৪০০ বছৰীয়া জয়ন্তী আৰু সেয়ে এইবাৰৰ লাচিত দিৱসৰ বিশেষ তাৎপৰ্য আছে। শ্ৰীমোদীয়ে কয় যে জন্মভূমিৰ প্ৰতি থকা প্ৰেম আৰু বীৰত্বই লাচিত বৰফুকনক সকলোৰে হৃদয়ত স্থান দি আহিছে। উল্লেখযোগ্য যে, বীৰ লাচিতৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা লেখা কাৰ্য্যসূচীলৈ এই পৰ্য্যন্ত ৩৫ লাখৰো অধিক লেখা প্ৰেৰণ কৰা হৈছে।

এতিয়া আমি নতুন দিল্লীত আয়োজিত বীৰ লাচিতৰ চাৰিশ সংখ্যক জয়ন্তীৰ অনুষ্ঠানত সম্প্ৰতি উপস্থিত থকা আকাশবাণীৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিমঃ

১) বীৰ লাচিতৰ জয়ন্তীৰ আজি দ্বিতীয় দিনৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে। এই সন্দৰ্ভত আমাৰ শ্ৰোতাসকলক সবিশেষ জনাওক -

-ভইচ-

ধন্যবাদ, মানস প্ৰতীম শৰ্মা। আপুনি আমাক নতুন দিল্লীৰ এই কাৰ্য্যসূচীৰে বিষয়ে বিস্তৃতভাৱে জনালে। পৰৱৰ্তী সময়ত পুনৰ আপোনাৰ সৈতে কথা পাতিম।

oooooooooo

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। বিভিন্ন দল-সংগঠন, বিদ্যালয়-মহাবিদ্যালয়ে এই জয়ন্তী পালন কৰে। স্বাধীনতাৰ ৭৫ বছৰ আৰু লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি চেণ্ট্ৰেল ব্যু'ৰ অব কমিউনিকেশ্যনৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ে বিশ্বনাথ চাৰিআলিত দুদিনীয়া কাৰ্যসূচীৰে আলোক-চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনীত স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ বিভিন্ন দেশ সেৱামূলক কাৰ্যকলাপৰ লগতে বীৰ লাচিত বৰফুকনৰ দেশৰ প্ৰতি অৰিহণা প্ৰদৰ্শন কৰা হয়।

বাক্সা জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহতো বীৰ লাচিত বৰফুকনৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে বিদ্যালয়সমূহত বীৰগৰাকীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি আদি অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্বি আংলং জিলাৰ ডিফু চহৰৰ ধৰমনলাৰ চুকাফা ভৱন চৌহদত বীৰগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। কাৰ্বি আংলং টাই আহোম কালচাৰেল ছ'চাইটি আৰু কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত স্থাপন কৰা বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি জিলা উপায়ুক্তগৰাকীয়ে উদ্বোধন কৰে। ধুবুৰীৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপনৰ মূল কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আহোম, মোগল, কোচ আৰু গুপ্ত সাম্ৰাজ্যত প্ৰচলিত বিৰল প্ৰাচীন মুদ্ৰাৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। একেদৰে জিলাখনৰ বিলাসীপাৰা মহকুমা প্ৰশাসন, পৌৰসভা আৰু জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত লাচিত বৰফুকনৰ জয়ন্তী উপলক্ষে চহৰখনত পদযাত্ৰা উলিওৱা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত লাচিত দিৱসৰ কাৰ্যসূচীত জিলা আৰক্ষী প্ৰশাসনে চাৰি শতাধিক দৰিদ্ৰ লোকক কম্বল বিতৰণ কৰে। কামৰূপ জিলাৰ প্ৰশাসনৰ উদ্যোগত লাচিত দিৱস উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মৰিগাঁৱত প্ৰকৃতি প্ৰেমী মঞ্চ অসমে লাচিত বৰফুকনৰ ওপজা দিনত সমাজৰ বিভিন্ন দিশত ওৰেটো জীৱন সেৱা আগবঢ়াই অহা ৭ গৰাকী ব্যক্তিক বঁটা প্ৰদান কৰে। শোণিতপুৰ জিলাৰ তেজপুৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত পালিত লাচিত বৰফুকনৰ জয়ন্তীত বিধায়ক পৃথ্বী ৰাজ ৰাভা, জিলা উপায়ুক্ত দেৱকুমাৰ মিশ্ৰকে ধৰি বিভিন্ন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত মহাবীৰগৰাকীৰ কাপোৰত অঁকা এখন বিশাল চিত্ৰ উন্মোচন তথা প্ৰদৰ্শন কৰা হয়। কেইবাগৰাকীও স্থানীয় চিত্ৰ শিল্পীয়ে অংকন কৰা এই চিত্ৰখন চহৰৰ মাজেৰে বৈ যোৱা মৰা চাউলখোৱা নদীৰ দলঙৰ ওপৰত আঁৰি দিয়া হয়। শিৱসাগৰ জিলাৰ ৰংপুৰ প্ৰাচীন কৃতিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত শিৱসাগৰ নগৰৰ লাচিত উদ্যানত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে লাচিত দিৱস উদযাপন কৰা হয়। লাচিত দিৱসৰ লগত সংগতি ৰাখি মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনে ৱাল পেইণ্টিং প্ৰতিযোগিতাৰ আয়োজন কৰে। মহকুমাটোৰ ১২ খন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

দৰং জিলা প্ৰশাসনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা প্ৰতিভা সন্ধানী বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক জিলা পুথিভঁৰালত অনুষ্ঠিত ৰাজহুৱা সভাত পুৰস্কাৰ বিতৰণ কৰা হয়।

০০০০০০০০০০

গোৱাত চলি থকা ৫৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি চতুৰ্থ দিনাও কেইবাখনো দেশী-বিদেশী চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত চলচ্চিত্ৰ আৰু নন্দনতত্ব সম্পৰ্কীয় বিভিন্ন বিষয় সামৰি লোৱা হৈছে। ভাৰতৰ চলচ্চিত্ৰ আৰু টেলিভিশ্যন প্ৰতিষ্ঠানে এই প্ৰদৰ্শনীৰ আয়োজন কৰিছে। তদুপৰি, বিগত চাৰিটা দিনত কেইবাখনো উল্লেখযোগ্য চলচ্চিত্ৰৰ প্ৰদৰ্শনে চলচ্চিত্ৰৰসিক সকলক আকৰ্ষিত কৰিছে। এই সন্দৰ্ভত সম্প্ৰতি গোৱাত উপস্থিত থকা সাংস্কৃতিক তথা নাট্যকৰ্মী নয়ন প্ৰসাদে এইদৰে কয় -

-ভইচ-

০০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি নতুন দিল্লীত এখন প্ৰাক্-বাজেট পৰামৰ্শ দান বৈঠকত মিলিত হয়। এই বৈঠকত স্বাস্থ্য, শিক্ষা, গ্ৰাম্য উন্নয়ন, পানী আৰু অনাময় ব্যৱস্থাকে ধৰি বিভিন্ন সামাজিক খণ্ডৰ বিশেষজ্ঞ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত বিত্ত মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰী আৰু ড০ ভগৱৎ কাৰাডেও অংশগ্ৰহণ কৰে।

ইয়াৰ আগেয়ে শ্ৰীমতী সীতাৰমণে উদ্যোগৰ আন্তঃগাঁথনি, জলবায়ু পৰিবৰ্তন, বিত্তীয় খণ্ড আৰু মূলধনী বজাৰৰ বিশেষজ্ঞসকলৰ সৈতে বাজেট সম্বন্ধীয় বৈঠকত মিলিত হৈছিল। মন্ত্ৰীগৰাকীয়ে লগতে কৃষি আৰু কৃষি প্ৰসংস্কৰণ উদ্যোগৰ বিশেষজ্ঞসকলকো সাক্ষাৎ কৰিছিল।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ নৱেম্বৰত দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া **মন কী বাত** অনুষ্ঠানৰ ৯৫ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে নমো এপ বা মাই গভ্ প'ৰ্টেলৰ মুকলি মঞ্চৰ জৰিয়তে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে ১৮০০-১১-৭৮০০ শুল্কবিহীন নম্বৰত ফোন কৰি হিন্দী বা ইংৰাজী ভাষাত নিজৰ বাৰ্তা বাণীবদ্ধ কৰিব পাৰিব। ফোন লাইনসমূহ কাইলৈ পৰ্যন্ত খোলা থাকিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছড কল দিয়াৰ পাছত এছ্ এম এছ্ জৰিয়তে লাভ কৰা লিংকৰ মাধ্যমেৰেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অহা শনিবাৰে নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া ফোন ইন দৃষ্টিপাত অনুষ্ঠানত স্তনৰ কৰ্কট ৰোগ আৰু সজাগতা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানৰ জ্যেষ্ঠ চিকিৎসক ডাঃ আংগীৰস ভট্টাচাৰ্য্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি অতিথিগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নিয়মীয়া অভিনয় শিল্পীৰ বাবে অহা ২০, ২১ আৰু ২২ ডিচেম্বৰত কণ্ঠ পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা ২০২০ চনৰ মাৰ্চ মাহলৈকে আবেদন জমা দিয়া প্ৰাৰ্থীসকলৰ মাজত অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে এই পৰীক্ষাৰ প্ৰৱেশ-পত্ৰ কেন্দ্ৰটোৰ নাট শাখাৰ পৰা সংগ্ৰহ কৰিব লাগিব।

০০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰক্ষীক জনসাধাৰণৰ বসতি থকা অঞ্চলসমূহত আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ কৰোতে সংযত হবলৈ নিৰ্দেশ দিছে। শীঘ্ৰেই আৰক্ষী আৰু বন বিভাগলৈ এই ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি

কৰাৰ লগতে সকলো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকললৈ এই ক্ষেত্ৰত সংবেদনশীল হোৱাৰ বাবে পৰামৰ্শ জাৰি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে এটা টুইটবাৰ্তাত প্ৰকাশ কৰিছে। নতুন দিল্লীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত কালি অসম-মেঘালয় সীমান্তত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ ন্যায়িক তদন্তৰ দায়িত্ব ন্যায়াধীশ ৰুমী ফুকনক অৰ্পন কৰা হয়। ৬০ দিনৰ ভিতৰত তেওঁক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিয়া হৈছে বুলি বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অহা বছৰৰ বাবে অনুমোদন জনোৱা বন্ধৰ তালিকাত ৩৮ টা ৰাজপত্ৰিত বন্ধ থাকিব। আনহাতে, সীমিত বন্ধ ৩০ দিন আৰু দুদিন অৰ্ধ ছুটী থাকিব। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীয়ে পূৰ্বৰ দৰে দুটাকৈ সীমিত বন্ধ ল'ব পাৰিব আৰু প্ৰতিখন জিলাই এটাকৈ স্থানীয় বন্ধৰ দিন ঘোষণা কৰিব পাৰিব। উল্লেখযোগ্য যে ৰাজ্যখনৰ গ্ৰামাঞ্চলত শিশুৰ যত্ন তথা সেৱা উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন জিলাত ২০০০ টা অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰাৰ বাবে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰতিটো কেন্দ্ৰৰ বাবদ ২৫ লাখকৈ টকা ব্যয় কৰাৰ লগতে এই প্ৰকল্পত মুঠ ৫০০ কোটি টকা ব্যয় হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

আনহাতে, তিতাবৰত ৰেচম মহাবিদ্যালয় স্থাপনৰ বাবে প্ৰায় চাৰে ২২ কোটি টকা আবণ্টন দিয়াৰ সিদ্ধান্তত কেবিনেটে অনুমোদন জনাইছে। তদুপৰি জোঙালবলহুত ৫০ কোটি টকা ব্যয়েৰে এটা প্ৰত্নত্বাত্বিক কেন্দ্ৰ গঢ়ি তোলাৰো সিদ্ধান্ত লোৱা হয়। একেদৰে বাণিজ্যিকভাৱে চাহ বাগিচা স্থাপন কৰিবলৈ নতুন নীতি নিৰ্ধাৰণ কৰা হৈছে। সংৰক্ষিত বনাঞ্চলৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ লোকে বাণিজ্যিকভাৱে চাহ গছ ৰোপন কৰিব বিচাৰিলে বন বিভাগৰ পৰা অনায়াসে অনুমতি লাভ কৰিব বুলি কেবিনেটত লোৱা সিদ্ধান্তৰ কথা মন্ত্ৰী শ্ৰী বৰুৱাই উল্লেখ কৰে।

oooooooooo

ফিফা বিশ্বকাপত আজি ব্ৰাজিলে শক্তি প্ৰদৰ্শন কৰিব। চৌদি আৰবৰ বিৰুদ্ধে খেলি আৰ্জেণ্টিনা আৰু জাপানৰ বিৰুদ্ধে খেলি জাৰ্মানী পৰাস্ত হোৱাৰ পাছত আজি বিশ্ব ফুটবলৰ অন্যতম শক্তি ব্ৰাজিল খেল পথাৰত নামিব। দেশখনে নিশা চাৰে ১২ বজাত হ'বলগীয়া এখন খেলত ছাৰ্বিয়াৰ বিৰুদ্ধে খেলিব। বিশেষজ্ঞসকলে ব্ৰাজিলক এইবাৰ বিশ্বকাপৰ সম্ভাব্য বিজয়ী হিচাপে চিহ্নিত কৰিছে।

প্ৰতিযোগিতাৰ পঞ্চম দিনটোত আজি দিনৰ চাৰে ৩ বজাত অনুষ্ঠিত প্ৰথমখন খেলত ছুইজাৰলেণ্ডে, কেমেৰুণক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ দিনটোৰ দ্বিতীয়খন খেল সন্ধ্যা চাৰে ৬ বজাত দক্ষিণ কোৰিয়া আৰু উৰুগুৱেৰ মাজত অনুষ্ঠিত হৈছে। আনহাতে, নিশা চাৰে ৯ বজাত ইউৰো কাপ চেম্পিয়ন খ্ৰীষ্টীয়ান ৰ'নাল্ডোৰ নেতৃত্বৰ পৰ্তুগালে ঘানাৰ বিৰুদ্ধে খেলিব। ঘানাই ২০১৮ চনৰ পাছত প্ৰথমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এয়া হ'ব দেশখনৰ চতুৰ্থখন বিশ্বকাপ প্ৰতিযোগিতা। আনহাতে, তাৰকা খেলুৱৈ খ্ৰীষ্টীয়ান ৰ'নাল্ডোয়ে পঞ্চমবাৰৰ বাবে বিশ্বকাপ খেলিব আৰু এইবাৰেই খেলুৱৈগৰাকীৰ শেষ বিশ্বকাপ হোৱাৰ সম্ভাৱনা আছে।

oooooooooo

**(সমাপ্ত)**